নিৰ্ভীক, নিৰপেক্ষ

# অসমীয়া খবৰ

গুৱাহাটী আৰু যোৰহাটৰ পৰা একে সময়তে প্ৰকাশিত

☐ যোৰহাট সংস্কৰণ ☐ মুঠ পৃষ্ঠা ১২

১৯৩৪, ০৩৬১-২৪৭৭২৯১/২ পঞ্চদশ বছৰ সংখ্যা ১০৪ বৃহস্পতিবাৰ ১৩ ফাগুন ১৯৪৭ শক ২৬ ফেব্ৰুৱাৰী ২০২৬ চন ASOMIYA KHABAR JORHAT THURSDA

## আজিৰে পৰা ডিব্ৰুগড় কানৈ কলেজত আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা-চক্ৰ

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ২৫ ফেব্ৰুৱাৰী ঃ** ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় স্বায়ত্তশাসিতৰ নৃতত্ত্ব বিভাগৰ উদ্যোগত তথা গৱেষণা আৰু উন্নয়ন কোষৰ সহযোগত ২৬ আৰু ২৭ ফেব্ৰুৱাৰীত 'Population health and well-being in India with special reference to Northeast India (ISPHW-2026)' শীৰ্ষক এক আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা চক্ৰ অনুষ্ঠিত হ'ব। এই আলোচনা-চক্ৰখনত উত্তৰ-পূৱ ভাৰতৰ লগতে সমগ্ৰ ভাৰত তথা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত মানৱ স্বাস্থ্য আৰু কল্যাণ সম্বন্ধীয় বিভিন্ন দিশ ইয়াৰ বহনক্ষম উন্নয়নৰ লক্ষ্য সম্পৰ্কীয় সকলো বিষয় আলোচনা হ'ব। দুদিনীয়াকৈ অনুষ্ঠিত হ'বলগীয়া আলোচনা-চক্ৰখনৰ উদ্বোধনী সভাত আদৰণী ভাষণ প্ৰদান কৰিব মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাণী বিজ্ঞান বিভাগৰ প্ৰাধ্যাপক তথা মহাবিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি ড° লখিৰাম শইকীয়াই উদ্বোধন কৰিবলগীয়া আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা চক্ৰখনিৰ বীজ ভাষণ প্ৰদান কৰিব কানৈ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ তথা বৰ্তমান আমেৰিকাৰ চিনচিনাটি বিশ্ববিদ্যালয়ৰ এমেৰিটাছ অধ্যাপক ড° ৰঞ্জন ডেকাই। উল্লেখ্য যে ড° ডেকাই আগবঢ়াবলগীয় উক্ত বক্তৃতাটি কানৈ মহাবিদ্যালয়ৰ নৃতত্ত্ব বিভাগৰ প্ৰতিষ্ঠাপক মুৰব্বী ড° অৰুণ কুমাৰ দত্তৰ নামত উৎসৰ্গা কৰা হ'ব। আলোচনা চক্ৰখনিৰ লগত সংগতি ৰাখি প্ৰস্তুত কৰি উলিওৱা গৱেষণাৰ সাৰাংশ পুথি উন্মোচন কৰিব কানৈ মহাবিদ্যালয় পৰিচালনা সমিতিৰ সদস্য তথা বিশিষ্ট সমাজকৰ্মী জ্যোতি প্ৰসাদ কানৈয়ে। আলোচনা চক্ৰখনিৰ দুটা দিনৰ বিভিন্ন বৈঠকত দেশ-বিদেশক প্ৰতিনিধিত্ব কৰা কেইবাজনো গৱেষকে সমল ব্যক্তিৰূপে উপস্থিত থাকি গৱেষণা পত্ৰ পাঠ কৰিব। অসম তথা দেশৰ বিভিন্ন ৰাজ্যৰ ১০০ জনৰ অধিক গৱেষকে মানৱ স্বাস্থ্য আৰু কল্যাণ সম্বন্ধীয় গৱেষণা পত্ৰ পাঠ কৰিব। আলোচনা-চক্ৰখনৰ বিভিন্ন বৈঠকত ক্ৰমে মুম্বাইৰ টাটা ইনষ্টিটিউট অব ছচিয়েল চাইঞ্চৰ অধ্যাপক ড° চন্দ্ৰজ্যোতি সোনোৱাল, কলিকতা বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° অৰূপ ৰতন বন্দোপাধ্যায়, আৰ এম আৰ চি, ডিব্ৰুগড়ৰ প্ৰসিদ্ধ বিজ্ঞানী ডাঃ প্ৰশান্ত কুমাৰ বৰা, অসম চিকিৎসা মহাবিদ্যালয়, ডিব্ৰুগড়ৰ অধ্যাপক ডাঃ হেমন্ত কুমাৰ দত্তই আন্তঃৰাষ্ট্ৰীয় আলোচনা চক্ৰৰ শীৰ্ষক বিষয়ত নিৰ্ধাৰিত গৱেষণা পত্ৰ পাঠ কৰিব। আলোচনা চক্ৰখনিৰ উদ্বোধনী অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব অসম চিকিৎসা মহাবিদ্যালয়ৰ অধীক্ষক ডাঃ ধ্ৰুৱজ্যোতি ভূঞা। লগতে নৃতত্ত্ববিদ ড° সাৰ্থক সেনগুপ্তা, ড° ফৰিদা আহমেদ দাস, ড° দীপাঞ্জনা দত্ত দাস, ড° কল্যাণ বৰুৱাকে ধৰি কেইবাগৰাকীও গণ্যমান্য ব্যক্তি উপস্থিত থাকিব। আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ এই আলোচনা চক্ৰখন সাফল্যমণ্ডিত কৰিবলৈ উদ্যোক্তাসকলে সংশ্লিষ্ট সকলোৰে পৰা সহায়-সহযোগিতা একান্তই কামনা কৰিছে।

## কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ...